**প্ৰথম গোট**

# প্ৰথম অধ্যায়

## ১.১ গৃহ বিজ্ঞানৰ ধাৰণা আৰু পৰিসৰ

## Concept and Scope of Home Science

**পাতনি (Introduction) ঃ**

বহুতো মানুহৰ ধাৰণা যে গৃহ বিজ্ঞানৰ সম্পৰ্ক কেৱল ঘৰুৱা বিভিন্ন কাম-কাজ কৰাৰ মাজতে সীমাবদ্ধ। এই শিক্ষা ছোৱালীৰ বাবেহে উপযোগী। কিন্তু এইটো এটা সম্পূৰ্ণ ভুল ধাৰণা। তোমালোকৰ মনতো এনে ধাৰণাৰ ভাব হয় নেকি?

এই পাঠটোৰ পৰা তোমোলোকে তলত দিয়া বিষয়সমূহৰ বিষয়ে জানিব পাৰিবা ঃ-

- ❖ গৃহ বিজ্ঞানৰ ধাৰণা।
- ❖ গৃহ বিজ্ঞানৰ লক্ষ্য আৰু দৰ্শন।
- ❖ গৃহ বিজ্ঞানৰ পৰিসৰ আৰু বিভিন্ন শাখা সমূহ।

**১.১ গৃহ বিজ্ঞানৰ ধাৰণা (Concept of Home Science)**

সাধাৰণ অৰ্থত গৃহ বিজ্ঞান বুলিলে গৃহ বা ঘৰৰ লগত বিজ্ঞানৰ সমন্বয় সাধনকে বুজায়। এই শিক্ষাই পৰিয়ালৰ বিভিন্ন সম্পদসমূহ পৰীক্ষামূলকভাৱে বা বিজ্ঞানসন্মতভাৱে ব্যৱহাৰ কৰাত আৰু পৰিয়ালৰ লক্ষ্যসমূহ পূৰণ কৰাত সহায় কৰে। ফলত পৰিয়ালৰ সকলো সদস্যই সন্তুষ্টি লাভ কৰিবলৈ সক্ষম হৈ এক সুখী জীৱন-যাপন কৰিব পাৰে।

এখন সমাজৰ 'পৰিয়াল' হৈছে প্ৰাথমিক গোট। পুৰুষে নাৰীৰ লগত বৈবাহিক সম্বন্ধ স্থাপনৰ দ্বাৰা পৰিয়াল গঠন কৰে। সময় পাৰ হোৱাৰ লগে লগে পৰিয়ালৰ পৰিসৰ বাঢ়ি যায় আৰু দুয়োজনৰে দায়িত্ব আৰু কৰ্তব্যও বাঢ়িবলৈ ধৰে। এই ক্ষেত্ৰত গৃহিণীগৰাকীয়ে গধুৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰিব লগা হয়। গৃহবিজ্ঞানে এগৰাকী গৃহিণীক এনেধৰণৰ দায়িত্বসমূহ পালনৰ বাবে প্ৰস্তুত কৰি তোলে।

অলপদিনৰ আগলৈকে পৰিয়াল ব্যৱস্থাত পুৰুষৰ বাবে গৃহ আছিল আৱাসৰ স্থান। আনহাতে নাৰীৰ বাবে ই এক কাৰখানা, য'ত তেওঁলোকে নানান কাম সম্পাদন কৰাৰ লগতে বহুতো দায়িত্ব পালন কৰিব লগা হয়। বৰ্তমান সময়ত এই ধাৰণাৰ সলনি হৈছে। পৰিয়ালৰ

পুৰুষ আৰু নাৰী উভয়ে নানান দায়িত্ব আৰু কৰ্তব্য পালন কৰিবলগা হৈছে। নাৰীয়ে যিদৰে গৃহৰ পৰা ওলাই আহি নিজৰ সামৰ্থ্য অনুসৰি আৰ্থিক উপাৰ্জনৰ বাবে বিভিন্ন কৰ্মত জড়িত হৈছে, পুৰুষেও গৃহত বিভিন্ন কামত অংশ গ্ৰহণ কৰিবলৈ লৈছে।

গৃহ বিজ্ঞান শিক্ষাই নাৰী-পুৰুষভেদে পৰিয়ালৰ প্ৰত্যেকজন সদস্যই এখন ঘৰৰ দায়িত্ব, কৰ্তব্য আৰু সুখ দুখৰ সমান অংশীদাৰ হোৱাত গুৰুত্ব আৰোপ কৰে। তাৰোপৰি এটা পৰিয়ালৰ পিতৃ-মাতৃ, ল'ৰা-ছোৱালী সকলোৱে একগোট হৈ বিভিন্ন পাৰ্থিব সা-সুবিধাসমূহ উন্নত কৰাৰ উপৰিও আন্তঃ পৰিয়াল গাঁথনি সুদৃঢ় কৰি সুখৰ জীৱননিৰ্বাহ কৰিবলৈকো গৃহ বিজ্ঞানে শিক্ষা দিয়ে।

গৃহ বিজ্ঞান শিক্ষা হ'ল কলা আৰু বিজ্ঞানৰ সমন্বয়। এই শিক্ষাৰ পাঠ্যক্ৰমত কলা আৰু বিজ্ঞানৰ বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হৈছে, যাতে পাৰিবাৰিক জীৱনৰ ভেটি সুদৃঢ় কৰি, আধুনিক জীৱনৰ চাহিদা পূৰণ কৰিব পৰাকৈ ব্যৱহাৰিক দিশত প্ৰয়োগ কৰিব পাৰে। গৃহ বিজ্ঞান শিক্ষাত পৰিয়ালৰ নিতৌ প্ৰয়োজন হোৱা বিষয়সমূহ যেনে— খাদ্য, বস্ত্ৰ, বাসস্থান, বিত্ত, শিশু পালন, গৃহসজ্জা আদি অৰ্ন্তভূক্ত কৰাৰ লগতে কলা আৰু সংস্কৃতি, সমাজসেৱা, মনোবিজ্ঞান, অৰ্থবিজ্ঞান, সমাজবিদ্যা আদিও অবিচ্ছেদ্য অংগ হিচাবে ধৰা হৈছে। তাৰোপৰি এই শিক্ষাত সকলো কথা পৰীক্ষাৰ দ্বাৰা বিজ্ঞানসন্মত পদ্ধতিৰে প্ৰতিষ্ঠা কৰা হয় কাৰণেই 'গৃহ বিজ্ঞান' আখ্যা দিয়া হৈছে।

উপৰোক্ত আলোচনাৰ পৰা গৃহ বিজ্ঞানৰ সংজ্ঞা এনেদৰে দিব পাৰি— 'গৃহ বিজ্ঞান হৈছে কলা আৰু বিজ্ঞানৰ সমন্বয়ত গঢ় লৈ উঠা এক শিক্ষা, যি শিক্ষা লাভ কৰি বৰ্তমান যুগৰ প্ৰত্যেক গৰাকী ব্যক্তিয়ে বিজ্ঞানৰ বিভিন্ন উদ্ভাৱনৰ লগত পৰিচিত হোৱাৰ লগতে এইবোৰৰ ব্যৱহাৰৰ দ্বাৰা এখন ঘৰ সু-পৰিকল্পিত ভাৱে পৰিচালনা কৰি পৰিয়ালটোৰ সকলোদিশতে বিকাশ সম্ভৱ কৰি প্ৰত্যক্ষভাৱে সমাজৰ বিকাশত সহায় কৰিব পাৰে।

### ১.২ গৃহ বিজ্ঞানৰ দৰ্শন বা আদৰ্শ ঃ (Philosophy of Home Science)

গৃহ বিজ্ঞানৰ দৰ্শন বা আদৰ্শ ভাৰতীয় জীৱন ধাৰাৰ লগত সংগতি থকা হব লাগে। যিহেতু এখন ঘৰ আৰু পৰিয়ালৰ দৰ্শনেই হৈছে গৃহ বিজ্ঞান শিক্ষাৰ দৰ্শন। তাৰোপৰি গৃহিণীয়েই হৈছে ঘৰৰ মূল। সেয়ে ভাৰতীয় মহিলাৰ আদৰ্শ, উচ্চ আকাংক্ষা আৰু আধ্যাত্মিক মূল্যবোধৰ ওপৰত ভিত্তি কৰি বিজ্ঞানৰ দৰ্শন ৰচনা কৰা হৈছে। গৃহ হৈছে এনে এখন ঠাই য'ত নাৰী পুৰুষ উভয়ে সমান সা-সুবিধা লাভ কৰি বিকাশ প্ৰাপ্ত হয়। গৃহ বিজ্ঞান শিক্ষাৰ আদৰ্শই সেয়ে প্ৰত্যেকজন লোকৰ সুস্থ বিকাশত গুৰুত্ব আৰোপ কৰে। কাৰণ এটা পৰিয়ালৰ প্ৰত্যেকজন লোকে এখন সমাজ বা এটা জাতিৰ বিকাশত

গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

এখন সমাজৰ প্ৰত্যেকজন লোকেই এটা পৰিয়াল বা এখন সমাজৰ এক অংগ। সেয়ে যদিহে সমাজৰ প্ৰত্যেকজন লোকৰে সুস্থ বিকাশ হয়, তেনেহ'লে সেই সমাজখনৰো পৰিৱৰ্তন হ'ব। গতিকে পৰিয়ালেই হৈছে এজন লোকৰ বা এখন সমাজৰ মূল ভেঁটি। এইদৰে এজন লোকৰ পৰিৱৰ্তন সাধনত গৃহ বিজ্ঞান শিক্ষাই বৈজ্ঞানিক পদ্ধতি আৰু আৱিস্কাৰসমূহৰ ওপৰত গুৰুত্ব দিছে যাতে এইবোৰৰ ব্যৱহাৰৰ দ্বাৰা এক সুস্থ পাৰিবাৰিক জীৱন গঢ়ি তুলিব পাৰে।

## ১.৩ গৃহ বিজ্ঞান শিক্ষাৰ উদ্দেশ্য ঃ (Objectives of Home Science)

গৃহ বিজ্ঞান শিক্ষাৰ উদ্দেশ্য হৈছে — সকলো শ্ৰেণীৰ সকলো বয়সৰ লোককে গৃহ আৰু জীৱনচক্ৰৰ ওপৰত বিভিন্ন জ্ঞান দিয়া। তাৰোপৰি মানব জীৱনৰ মৌলিক প্ৰয়োজনীয়তা যেনে- অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ ওপৰত বিস্তৃত আৰু বিজ্ঞান সন্মতভাবে অধ্যয়ন কৰি পুষ্টিকৰ আহাৰৰ ব্যৱস্থা, সম্পদৰ সুপৰিচালনা, বস্ত্ৰৰ সুব্যৱহাৰৰ লগতে শিশুৰ সঠিক যতন প্ৰতিপালন আদিৰ বিষয়েও প্ৰত্যেক গৰাকী গৃহিণীৰ লগতে সমাজক সচেতন কৰাত গুৰুত্ব দিয়া হয়। বহলভাৱে বিবেচনা কৰিলে গৃহ বিজ্ঞান শিক্ষাৰ মূল উদ্দেশ্যসমূহ হৈছে—

১) গৃহিণীগৰাকীৰ সকলো দিশৰ বিকাশত সহায় কৰা।

২) গৃহিণীগৰাকীয়ে প্ৰতিদিনৰ বিভিন্ন সমস্যাসমূহ সমাধান কৰোতে প্ৰয়োজন হোৱা সম্পদ সমূহৰ সু-ব্যৱহাৰত সহায় কৰা।

৩) বৰ্তমান যুগৰ বিভিন্ন বৈজ্ঞানিক সম্পদসমূহৰ সু-ব্যৱহাৰৰ দ্বাৰা পাৰিবাৰিক জীৱনৰ মানদণ্ড উন্নত কৰা।

৪) গৃহিণীগৰাকীৰ গাত অন্তৰ্নিহিত হৈ থকা বিভিন্ন মানৱ সম্পদসমূহৰ বিকাশ ঘটোৱা। এই মানৱ সম্পদ সমূহৰ বিভিন্ন প্ৰকাৰে বিকাশ ঘটাব পাৰি। যেনে—

ক) স্বাস্থ্য, স্বাস্থ্য বিজ্ঞান, বিকাশমূলক আৰ্চনি, আধুনিক প্ৰযুক্তি বিদ্যা, অন্যান্য সম্পদসমূহৰ লগতে গৃহিণীগৰাকীৰ দায়িত্ব আৰু কৰ্তব্যবোধৰ বিষয়ে জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰা।

খ) কাৰিকৰী আৰু অন্যান্য দিশৰ নিপুণতা বৃদ্ধি কৰা।

গ) শিক্ষা, জাতীয় বিকাশ, গৃহ পৰিচালনা আদি বিষয়ত গৃহিণীগৰাকীৰ দায়িত্ব সম্পৰ্কে থকা জ্ঞানৰ পৰিৱৰ্তন সাধন কৰা।

এইবোৰৰ উপৰিও স্পেফৰ্ড (Spafford) আৰু এমিডনে (Amidon) গৃহ বিজ্ঞান শিক্ষাৰ উদ্দেশ্যৰ বিষয়ে এইদৰে ব্যাখ্যা কৰিছেঃ-

১) এক মূল্যবোধ স্থাপন কৰা, যাৰ দ্বাৰা

ব্যক্তিগত, পাৰিবাৰিক আৰু সামাজিক জীৱন অৰ্থপূৰ্ণ হয়।

২) সকলোৰে সুস্থ বৃদ্ধি আৰু বিকাশৰ বাবে প্ৰয়োজনীয় গৃহ আৰু সামূহিক পৰিৱেশ সৃষ্টি কৰা।

৩) আন্তঃব্যক্তিক সম্বন্ধ আহৰণ কৰা।

৪) প্ৰয়োজন পূৰণ কৰিব পৰাকৈ সম্পদ ব্যবহাৰ কৰা।

৫) পাৰস্পৰিক বুজাপৰাৰ মনোভাৱ গঢ়ি তোলা আৰু সাংস্কৃতিক, সামাজিক জীৱনযাপনৰ প্ৰণালীৰ বিষয়ে জ্ঞান আহৰণ কৰা।

ইয়াৰ উপৰিও আমেৰিকাৰ গৃহ অৰ্থনীতিবিদ ড° এলেন, এইচ্, ৰিচাৰ্ডছে (Dr. Elen H. Richards) গৃহ বিজ্ঞানৰ কেইবাটাও উদ্দেশ্য দাঙি ধৰিছে। সেই উদ্দেশ্যকেইটা হ'ল-

১) অতীতৰ পৰম্পৰাৰ দ্বাৰা বাধাগ্ৰস্ত বৰ্তমানৰ এটা আদৰ্শৱান সুস্থ পাৰিবাৰিক জীৱন প্ৰতিষ্ঠা কৰা।

২) বস্তুবাদ প্ৰাধান্যৰ আতিশয্যৰ পৰা গৃহক মুক্তকৰি আদৰ্শনিষ্ঠ কৰি তোলা।

৩) বৰ্তমানৰ আধুনিক বিজ্ঞানৰ বিভিন্ন সম্পদসমূহৰ সু-ব্যৱহাৰৰ দ্বাৰা পাৰিবাৰিক জীৱনৰ মানদণ্ড উন্নত কৰা।

৪) বস্তুবাদী পাৰিপাৰ্শ্বিকতা সবল কৰি সমাজৰ অন্যান্য মূল্যবান আৰু স্থায়ী কামত ব্যক্তিক আত্মনিয়োগৰ সুযোগ দিয়া।

উপৰোক্ত আলোচনাৰ পৰা আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰো যে গৃহ বিজ্ঞান শিক্ষাই পৰিয়ালৰ প্ৰত্যেকজন লোকৰে মানৱ সম্পদৰ বিকাশ ঘটোৱাৰ লগতে স্ত্ৰী-পুৰুষভেদে সকলোকে সমান সা-সুবিধা প্ৰদান কৰাত সহায় কৰে। ইয়াৰ ফলত সকলো লোকে সুখী আৰু কৰ্মমুখী পৰিবাৰিক জীৱনযাপন কৰাত সুবিধা পায়।

## ১.৪ গৃহ বিজ্ঞানৰ বিভিন্ন শাখাৰ পৰিসৰ ঃ (Different branches of Home Science)

গৃহ বিজ্ঞানে এজন লোকৰ সকলো দিশৰ বিকাশত প্ৰভাৱ পেলায়। গৃহ বিজ্ঞান শিক্ষাৰ পৰিসৰ বিস্তৃত। এই শিক্ষাই পাঁচটা বিভিন্ন দিশ সাঙুৰি লৈছে। সেই কেইটা তলত দিয়া চিত্ৰৰ সহায়ৰে বুজোৱা হৈছে।


১) খাদ্য আৰু পুষ্টি (Food and Nutrition)

২) মানৱ বিকাশ (Human Develop ment)

৩) বস্ত্ৰ আৰু আঁহ (Textile and Cloth ing)

৪) পৰিয়ালৰ সম্পদ পৰিচালনা (Family Resource Management)

৫) সম্প্ৰসাৰণ শিক্ষা (Extension Education)




*গৃহ বিজ্ঞান শাখাৰ পৰিসৰ*

**১) খাদ্য আৰু পুষ্টি ঃ** ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক কিদৰে উপযুক্ত খাদ্য নিৰ্বাচন কৰি খাদ্য অভ্যাস গঢ়ি তুলিব পাৰি সেই বিষয়ে শিক্ষা দিয়া হয়। তাৰোপৰি কোনবোৰ খাদ্যত কেনেধৰণৰ খাদ্য উপাদান পোৱা হয়, বিভিন্ন ৰোগৰ কাৰণ, প্ৰতিৰোধ, ৰোগীৰ প্ৰতি লবলগা যতন আদি বিভিন্ন দিশ সাঙুৰি লৈছে।

**২) মানৱ বিকাশ ঃ** ইয়াত মানৱ জীৱনৰ বিভিন্ন স্তৰ, এইবোৰৰ বিশেষত্ব, বিভিন্ন দিশৰ বিকাশ আদিৰ বিষয়ে শিক্ষা দিয়া হয়।

**৩) বস্ত্ৰ আৰু আঁহ ঃ** এই শাখাত বিভিন্ন ধৰণৰ আঁহ, আঁহৰ চিনাক্তকৰণ, বস্ত্ৰ প্ৰস্তুতকৰণ পদ্ধতি, বস্ত্ৰ আৰু আঁহৰ যতন, বয়ন আঁহৰ ধৰ্ম আদিৰ বিষয়ে অধ্যয়ন কৰা হয়।

**৪) পৰিয়ালৰ সম্পদ পৰিচালনা ঃ** এই শাখাত গৃহত বিভিন্ন ধৰণৰ সম্পদৰ পৰিচালনা, ব্যৱহাৰ, সুপৰিকল্পিতভাৱে গৃহৰ বিভিন্ন কাম-কাজ পৰিচালনা কৰা, সময় আৰু শক্তিৰ পৰিকল্পনা কৰা আদিৰ বিষয়ে শিক্ষা দিয়া হয়।

**৫) সম্প্ৰসাৰণ শিক্ষা ঃ** এই শাখাৰ দ্বাৰা গাওঁ অঞ্চলৰ লোকক বিভিন্ন ধৰণৰ শিক্ষণ সজুঁলিৰ ব্যবহাৰৰ যোগেদি খাদ্য, পুষ্টি, স্বাস্থ্য, শিশুৰ যতন, সম্পদৰ সুব্যৱহাৰ, সাজপোছাকৰ যতন আদি দিশত বাস্তৱ শিক্ষা দিয়া হয়। যাৰ দ্বাৰা তেওঁলোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত হয়।

**১.৫ গৃহ বিজ্ঞান শিক্ষাৰ লগত জড়িত বিভিন্ন কৰ্মসংস্থানসমূহ ঃ**

গৃহ বিজ্ঞানৰ লগত জড়িত বিভিন্ন কৰ্ম সংস্থান সমূহ হৈছে এনে ধৰণৰঃ-


১) বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, পলিটেক্নিক, হোটেল মেনেজমেণ্ট প্ৰতিষ্ঠান আদিত শিক্ষকতা।

২) হস্পিতাল, নাৰ্ছিংহোম, হেলথ্ ক্লাব, অতিথিশালা আদিত ডায়েটিচিয়ান বা খাদ্য বিশেষজ্ঞা।

৩) হোটেল উদ্যোগত মূল ৰান্ধনী, গৃহতত্বাৱধায়ক, জনসম্পৰ্কৰক্ষী বিষয়া হিচাপে নিযুক্তি পোৱাৰ সম্ভাৱনা থাকে।

৪) গৃহ, হোটেল, অতিথিশালা, কোম্পানীৰ কাৰ্যালয় আদিত গৃহসজ্জা কৰা লোক।

৫) সাজপোচাকৰ উদ্যোগত ডিজাইনাৰ




চিত্ৰ নং ২ ঃ গৃহ বিজ্ঞানৰ লগত জড়িত বিভিন্ন কৰ্ম সংস্থান সমূহ ।

হিচাবে।

৬) বেকাৰী উদ্যোগ, খাদ্য সেৱা প্ৰতিষ্ঠান আদিত নিয়োগ লাভৰ সুবিধা।

৭) ক্ৰেচ আদি খুলিব পাৰি। তাৰোপৰি শিশু আৰু পৰিয়াল কল্যাণ প্ৰতিষ্ঠানত নিয়োগৰ সুবিধা আছে।

৮) ভাৰতীয় শিশু কল্যাণ পৰিষদৰ অধীনৰ অংগনবাদী কেন্দ্ৰ, সংহত শিশু বিকাশ প্ৰকল্প আদিত প্ৰশিক্ষিকা, ছুপাৰভাইজাৰ/ প্ৰকল্প বিষয়া হিচাপে নিযুক্তি পাব পাৰি।

৯) স্বাস্থ্য বিভাগত কাৰিকৰী বিশেষজ্ঞা, ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযানত প্ৰকল্প বিষয়া, সৰ্বশিক্ষা অভিযানত সমল ব্যক্তি হিচাবে নিযুক্তিৰ সুবিধা আছে।

## মূলভাৱ

- গৃহ-বিজ্ঞান হৈছে শিক্ষাৰ সুস্থ বিকাশৰ এক দিশ।
- ই হৈছে এজন লোক, এটা পৰিয়াল আৰু এখন সমাজৰ এক প্ৰধান প্ৰয়োজনীয় আহিলা।
- জীৱনৰ মানদণ্ড উন্নত কৰাই হৈছে গৃহ বিজ্ঞানৰ লক্ষ্য।
- কলা আৰু বিজ্ঞানৰ সমন্বয়ত গঢ় লৈ উঠা ই এক বহুমুখী শিক্ষা।
- এই শিক্ষাৰ পাচঁটা বিভিন্ন দিশ আছে।
- গৃহ বিজ্ঞানৰ পৰিসৰ বিস্তৃত। এই শিক্ষাৰ লগত জড়িত বিভিন্ন ধৰণৰ বৃত্তিমূলক কৰ্মসংস্থান আছে।

## প্ৰশ্নাৱলী

ক) অতি চমু উত্তৰৰ প্ৰশ্ন ঃ

১) গৃহ বিজ্ঞানক কলা আৰু বিজ্ঞানৰ সম্বন্বয় বুলি কিয় ভবা হয়?

খ) চমু উত্তৰৰ প্ৰশ্ন ঃ

১) 'গৃহ বিজ্ঞান' বুলিলে কি বুজা?

২) গৃহ বিজ্ঞান শিক্ষা ল'ৰা আৰু ছোৱালীৰ বাবে সমান প্ৰয়োজন বুলি কিয় ভাবা?

৩) গৃহ বিজ্ঞানৰ যিকোনো তিনিটা দিশৰ বিষয়ে লিখা।

৪) গৃহ বিজ্ঞানৰ দুটা লক্ষ্য কি কি?

গ) দীঘল উত্তৰৰ প্ৰশ্নঃ

১) এজন লোকৰ উপযুক্ত বিকাশৰ বাবে গৃহ বিজ্ঞানৰ ভূমিকা কি?

২) গৃহ বিজ্ঞান শিক্ষাৰ পৰিসৰৰ বিষয়ে লিখা।

৩) গৃহ বিজ্ঞানৰ লগত জড়িত কৰ্মসংস্থান সমূহৰ বিষয়ে লিখা।

৪) গৃহ বিজ্ঞানৰ দৰ্শনৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা।